२।

Total No. of Printed Pages—3

**4 SEM TDC ASM M 1**

**2014**

( May )

ASSAMESE

( Major )

Course : 401

( অসমীয়া গদ্য-সাহিত্য )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) 'তুংখুঙীয়া বুৰঞ্জী' কোনে সম্পাদনা কৰিছিল ?

(খ) ভট্টদেৱৰ সম্পূৰ্ণ নামটো কি ?

(গ) 'হস্তি বিদ্যাৰ্ণৱ' কাৰ ৰচনা ?

(ঘ) টইলৰাম শৰ্মা প্ৰকৃততে কোন ?

(ঙ) 'অসমীয়া কথাসাহিত্য' গ্ৰন্থখনৰ প্ৰণেতা কোন?

(চ) 'অশান্ত ইলেক্ট্ৰন' গল্পটো কাৰ ৰচনা?

(ছ) অতুলানন্দ গোস্বামীয়ে 'নামঘৰীয়া' উপন্যাসখনৰ বাবে লাভ কৰা বঁটাটোৰ নাম কি?

(জ) পূৰবী বৰমুদৈয়ে ৰচনা কৰা এখন উপন্যাসৰ নাম লিখাঁ।

২। (ক) আধুনিক অসমীয়া গদ্যৰ বিকাশৰ বিষয়ে লিখাঁ। ১৪

*অথবা*

(খ) 'চৰিত পুথি'ৰ গদ্যৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ।

৩। (ক) ভট্টদেৱৰ চমু পৰিচয় দি 'কথাগীতা'ৰ পাঠ্যাংশৰ কথাখিনি বুজাই লিখাঁ। ১৪

*অথবা*

(খ) 'তুংখুঙীয়া বুৰঞ্জী'ৰ লেখকৰ বিষয়ে চমুকৈ লিখি প্ৰমত্ত সিংহ প্ৰথম ৰাজপাটত উঠোঁতে বুঢ়াগোহাঁয়ে তেওঁলৈ দিয়া উপদেশসমূহ লিখাঁ।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ৮×২=১৬

(ক) আনন্দৰাম ঢেকিয়ালফুকনৰ জীৱনচৰিতখন কোনে ৰচনা কৰিছিল? জীৱনীখনৰ আধাৰত ঢেকিয়ালফুকনৰ সমকালীন সমাজখনৰ বিষয়ে আলোচনা কৰাঁ।

(খ) বেণুধৰ শৰ্মাই 'আলহী কেইবিধ' পাঠটোত আলহীক কেই ভাগত ভগাইছে? প্ৰত্যেক ভাগৰে পৰিচয় দাঙি ধৰাঁ।

(গ) 'ঢেঁকী' গ্ৰাম্য সমাজজীৱনৰ পৰা নোহোৱা হৈ যাব ধৰা কথাটোৱে লেখকক কিয় ম্ৰিয়মান তথা চিন্তিত কৰি তুলিছে, বুজাই লিখাঁ।

৫। (ক) 'ফুলপাহৰ শব্দ' গল্পটোৰ ৰচনা-কৌশল সম্পৰ্কে এটি আলোচনা যুগুত কৰাঁ। ১৪

*অথবা*

(খ) চৈয়দ আব্দুল মালিকৰ 'স্পন্দন' গল্পটোৰ বিষয়বস্তু সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ।

৬। (ক) 'নামঘৰীয়া' উপন্যাসখনৰ পটভূমিৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ। ১৪

*অথবা*

(খ) নামঘৰীয়া চৰিত্ৰটোৰ আধ্যাত্মিক ভাৱনাৰ মাজেদি উদাৰ মানৱীয় চেতনা কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰাঁ।

★★★